# আপোনাৰ বীমা কোম্পানীয়ে আপোনাৰ কথা শুনিছেনে?



**যদি আপোনাৰ বীমা কোম্পানীয়ে আপোনাৰ অভিযোগৰ মীমাংসা কৰা নাই, তেন্তে অনুগ্ৰহ কৰি সম্পৰ্ক কৰক**

**আইআৰডিএ গ্ৰীভেঞ্চ কল চেন্টাৰ**

**ট'ল ফ্ৰী নং. : 155255**

আপোনাৰ অভিযোগ পঞ্জীয়ন কৰিবলৈ তথা ইয়াৰ স্থিতিৰ বিষয়ে জানিবলৈ আপুনি complaints@irda.gov.in ত ইমেইল কৰিব পাৰে।

জনহিতাৰ্থে প্ৰচাৰিত


বীমা নিয়ামক আৰু উন্নয়ন প্ৰাধিকাৰী
INSURANCE REGULATORY AND DEVELOPMENT AUTHORITY

*বীমা বৰ্দ্ধন, বীমা গ্ৰাহক সুৰক্ষা*

www.irda.gov.in

বীমা নিয়ামক আৰু উন্নয়ন প্ৰাধিকাৰী
INSURANCE REGULATORY AND DEVELOPMENT AUTHORITY

Bima Bemisaal



# জীৱন বীমাৰ ওপৰত হাতপুথি

**সন্নিবিষ্ট বিষয়বস্তু**


| | | |
|---|---|---|
| 1. | এই হস্তপুস্তিকাৰ বিষয়ে | 1 |
| 2. | জীৱন বীমা | 2 |
| 3. | সঘনাই সোধা প্ৰশ্ন | 8 |
| 4. | পলিচিধাৰকক সেৱা দিয়াৰ টি.এ.টিজ | 18 |
| 5. | যদি আপোনাৰ কোনো অভিযোগ আছে | 19 |


## 1. এই হস্তপুস্তিকাৰ বিষয়ে

এই হস্তপুস্তিকাক বীমা নিয়ামক আৰু উন্নয়ন প্ৰাধিকাৰী (আইআৰডিএ) ৰ দ্বাৰা **জীৱন বীমা** ওপৰত এক মাৰ্গদৰ্শকৰ ৰূপ দিয়া হৈছে আৰু ই কেৱল সাধাৰণ তথ্য দিয়ে। ইয়াত দিয়া যি কোনো তথ্যই এটা বীমা পলিচিৰ নিয়ম আৰু চৰ্ত বদলি কৰিব বা চেৰাই যাব নোৱাৰে।

পলিচিৰ বিষয়ে বিশেষ তথ্যৰ বাবে তথা কোনো অতিৰিক্ত জাননীৰ বাবে অনুগ্ৰহ কৰি কোনো অনুজ্ঞাপত্ৰ পোৱা এজেন্ট বা ব্ৰোকাৰ বা আইআৰডিএ ৰ সৈতে পঞ্জীকৃত কোনো বীমা কোম্পানীৰ লগত যোগাযোগ কৰক।

বীমা হৈছে নিবেদনৰ বিষয়বস্তু।

## 2. জীৱন বীমা

- জীৱন বীমাই মানৱ জীৱনৰ লগত জড়িত জৰুৰীকালীন স্থিতিত আৰ্থিক সুৰক্ষা দিয়ে, যেনে মৃত্যু, বিকলাঙ্গ, দুৰ্ঘটনা, অৱসৰ ইত্যাদি। মানৱ জীৱন স্বাভাৱিক তথা দুৰ্ঘটনাবশত: মৃত্যু আৰু বিকলাঙ্গ ক্ষতিশংকাৰ অধীন হয়। যেতিয়া মানুহৰ মৃত্যু ঘটে বা ব্যক্তি স্থায়ী বা অস্থায়ীৰূপে বিকলাঙ্গ হয় তেতিয়া ঘৰৰ উপাৰ্জনত লোকচান হয়।

- যদিও মানৱ জীৱনৰ মূল্য লগাব নোৱাৰি তথাপিও ভৱিষ্যত বৰ্ষত আয় লোকচানৰ ভিত্তিত এটা পৰিমাণ নিৰ্ধাৰিত কৰিব পৰা যায়। সেই কাৰণে, জীৱন বীমাত আশ্বাস পৰিমাণ (চাম এচিয়ৰদ) (বা লোকচানৰ সময়ত আদায় দিব লগীয়া গেৰাণ্টিড পৰিমাণ) ‘লাভ’ ৰ ৰূপত আদায় দিয়া হয়। জীৱন বীমা উৎপাদন পলিচিৰ অৱধিৰ সময়ত বীমাকৃত ব্যক্তিৰ মৃত্যুৰ ক্ষেত্ৰত বা দুৰ্ঘটনাবশত: পঙ্গু হোৱাৰ ওপৰত এক নিশ্চিত ধনৰ পৰিমাণ প্ৰদান কৰে।

- **আপুনি জীৱন বীমা কিয় ক্ৰয় কৰা উচিত :**
  *আমি সকলোৱে নিম্নলিখিত ক্ষতিশংকাৰ সন্মুখীন হও।*
  বহুত সোনকালে মৃত্যু
  অধিক দীঘলীয়া জীৱন
  *জীৱন বীমাৰ প্ৰয়োজন হয় :*

➔ এইটো সুনিশ্চিত কৰিবৰ বাবে যে আপোনাৰ নিকট পৰিয়ালে আপোনাৰ মৃত্যুৰ ক্ষেত্ৰত যাতে আৰ্থিক সমৰ্থন পায়।

➔ আপোনাৰ সন্তানৰ শিক্ষা আৰু অন্য প্ৰয়োজনীয়তাৰ বাবে অৰ্থ দিব পাৰে।

➔ ভৱিষ্যতৰ বাবে সঞ্চয় আঁচনি, যাতে অৱসৰৰ পিছত আপোনাৰ ওচৰত অবিৰত আয়ৰ উৎস থাকে।

➔ সুনিশ্চিত হ’ব পাৰে যাতে সংকটজনক বেমাৰ বা দুৰ্ঘটনাৰ বাবে আপোনাৰ উপাৰ্জন হ্ৰাস হ’লে আপোনাৰ ওচৰত অতিৰিক্ত উপাৰ্জন থাকে।

➔ অন্য আৰ্থিক জৰুৰীকালীন স্থিতি আৰু জীৱন শৈলীৰ আৱশ্যকতাৰ বাবে ধন প্ৰদান কৰিব পৰা যায়।

- **জীৱন বীমা কাৰ প্ৰয়োজন হয়?**
  প্ৰাথমিকতে, এনে কোনো ব্যক্তি যাৰ পৰিয়ালক সমৰ্থন দিবলগীয়া হয় আৰু যি উপাৰ্জন কৰে, তেওঁক জীৱন বীমাৰ প্ৰয়োজন হয়। পৰিয়ালৰ প্ৰতি নিজৰ যোগদানৰ আৰ্থিক মূল্যৰ দৃষ্টি ৰ পৰা গৃহিণীসকলোকো জীৱন বীমাৰ কভাৰৰ প্ৰয়োজন হয়। নিজৰ ভৱিষ্যত আয় অৰ্জন ক্ষমতাৰ দৃষ্টি ৰ পৰা সন্তানৰ ওপৰতো জীৱন বীমাৰ বাবে বিচাৰ কৰিব পৰা যায়।

- **কিমান জীৱন বীমাৰ প্ৰয়োজন হয়:**
  আপোনাৰ বাবে প্ৰয়োজনীয় জীৱন বীমা কভাৰেজৰ পৰিমাণ কেইবাটাও কাৰণৰ ওপৰত নিৰ্ভৰ হ’ব যেনে :

➔ আপোনাৰ ওপৰত কিমান লোক নিৰ্ভৰশীল

➔ আপোনাৰ কোনো ঋণ বা বন্ধক আছে নেকি

➔ আপোনাৰ পৰিয়ালক আপুনি কেনেকুৱা জীৱন শৈলী দিবলৈ বিচৰে

➔ আপোনাৰ সন্তানৰ শিক্ষাৰ বাবে আপোনাক কিমান ধনৰ প্ৰয়োজন

➔ আপোনাৰ বিনিয়োগ প্ৰয়োজনীয়তা কি

➔ আপোনাৰ ক্ষমতা কিমান

➔ আপুনি ৰোগ সম্বন্ধীয় প্ৰয়োজনীয়তা বুজিবলৈ আৰু সঠিক প্ৰকাৰৰ কভাৰ পৰামৰ্শৰ বাবে আপোনাক বীমা

এজেন্ট বা ব্ৰোকাৰৰ সহায় লোৱা উচিত।

- **জীৱন বীমা পলিচিসমূহৰ প্ৰকাৰ :**

*টাৰ্ম ইঞ্চিওৰেন্স*

আপুনি টাৰ্ম ইঞ্চিওৰেন্স (ম্যাদ বীমা) ৰ সৈতে এক নিশ্চিত সময়ৰ অৱধিৰ বাবে সুৰক্ষা বাচি ল'ব পাৰে। মৃত্যু বা সম্পূৰ্ণ আৰু অস্থায়ী বিকলাঙ্গতাৰ ক্ষেত্ৰত (যদি লাভ দিয়া হয়) আপোনাৰ আশ্ৰিত সকলক লাভ আদায় দিয়া হ'ব। টাৰ্ম ইঞ্চিওৰেন্সত যদি ম্যাদৰ সময়ত বীমাকৃত ব্যক্তি জীৱিত থাকে তেতিয়া সাধাৰণতে কোনো লাভ দিয়া নহয়।

*হ'ল লাইফ ইঞ্চিওৰেন্স*

হ'ল লাইফ ইঞ্চিওৰেন্স (সমগ্ৰ জীৱন বীমা) ৰ সৈতে আপোনাক আজীৱন সুৰক্ষাৰ গেৰান্টি দিয়া হয়। হ'ল লাইফ ইঞ্চিওৰেন্সে মৃত্যু লাভ আদায় দিয়ে য'ৰ পৰা আশ্বাস পাব পাৰে যে আপোনাৰ পৰিয়ালে আপোনাৰ মৃত্যুৰ পিছত কোনো ধৰণৰ আৰ্থিক লোকচানৰ পৰা উদ্ধাৰ হয়। আপোনাৰ উত্তৰাধিকাৰীৰ বাবে পৈত্ৰিক ৰূপত সম্পত্তি গঢ়াৰোই এক আদৰ্শ উপায়।

*এনডাউমেন্ট পলিচি*

এনডাউমেন্ট পলিচি এক বিশেষ পৰিপক্কতা তাৰিখৰ সঞ্চয়ৰ লগত সংলগ্ন বীমা পলিচি। যদি অৱধিৰ সময়ত আপোনাৰ মৃত্যু বা দুৰ্ভাগ্যবশত: ঘটনাৰ ক্ষেত্ৰত বিকলাঙ্গ হয়, তেতিয়া আপোনাৰ হিতাধিকাৰীক চাম এচিয়ৰদ (আশ্বাসৰ পৰিমাণ) আদায় দিয়া হ'ব। ম্যাদৰ সময়ত আপুনি জীৱিত থকাত পলিচিৰ পৰিপক্কতা পৰিমাণ আদায় দিয়া হয়।



*মানি বেক প্লেন্‌চ বা কেশ্ব বেক প্লেন্‌চ :*

এই প্লেনৰ অন্তৰ্গত চাম এচিয়ৰদ (আশ্বাসৰ পৰিমাণ) ৰ কিছু শতাংশ নিৰ্ধাৰিতভাবে চাৰ্ভাইভেল ৰূপত বীমাকৃত ব্যক্তিক ঘূৰোৱা হয়। ম্যাদ শেষ হ'লে বাকী থকা পৰিমাণ পৰিপক্কতা মূল্যৰ ৰূপত আদায় দিয়া হয়। আদায় দিয়া চাৰ্ভাইভেল লাভ লাগে যিয়েই হওঁক, পলিচি ম্যাদৰ সময়ত জীৱনৰ ক্ষতিশংকা সম্পূৰ্ণ চাম এচিয়ৰদ (আশ্বাসৰ পৰিমাণ) ৰ বাবে কভাৰ কৰিব পৰা যায়।

*চিল্ড্ৰেন পলিচিসমূহ*

এই প্ৰকাৰৰ পলিচিসমূহ সন্তানৰ লাভৰ হেতুকে পিতৃ-মাতৃ / সন্তানৰ জীৱনৰ ওপৰত লোৱা হয়। এনেকুৱা পলিচিৰ দ্বাৰা পিতৃ-মাতৃয়ে সন্তানৰ জীৱনৰ বিভিন্ন পৰ্য্যায় সম্পূৰ্ণ কৰাত ধন পোৱাৰ যোজনা কৰিব পাৰে। পলিচি ম্যাদৰ সময়ত পিতৃ-মাতৃ / প্ৰস্তাৱকৰ দুৰ্ভাগ্যবশত: মৃত্যুৰ ক্ষেত্ৰত কিছুমান বীমাকৰ্তাই প্ৰিমিয়ামৰ ক্ষমা প্ৰদান কৰে।

*এনুইটি (পেঞ্চন) প্লেন্‌চ*

যেতিয়া কোনো কৰ্মচাৰীয়ে অৱসৰ পায় তেতিয়া তেওঁ কোনো বেতন নেপায় য'ত নেকি তেওঁৰ নিয়মিত আয়ৰ প্ৰয়োজনীয়তা থাকে। প্ৰভিডেন্ট ফাণ্ড আৰু পাৰিতোষিক যেনে অৱসৰৰ লাভ একেবাৰতে আদায় দিয়া হয় যিটো শীঘ্ৰে খৰচ হৈ যায় বা সেইটোৰ উচিত বিনিয়োগ হ'বলৈ নেপায় যাৰ পৰিণামস্বৰূপে অৱসৰৰ পিছৰ দিন বিলাকত কৰ্মচাৰীৰ ওচৰত নিয়মিত আয় নেথাকে। গতিকে পেঞ্চন হৈছে অৱসৰৰ আদৰ্শজনক ব্যৱস্থা কিয়নো ইয়াৰ লাভ নিয়মীয়া আয়ৰ হিচাপত হয়। সেই সময়ৰ বৃদ্ধ অৱস্থাৰ বাবে ধনৰ প্ৰৱন্ধ কৰাটোৱেই বুদ্ধিমানৰ কাম যেতিয়া

আমাৰ উপাৰ্জনৰ দিনত নিয়মিত আয় হৈ থাকে য'ৰ পৰা কঠিন সময়ত সহায় পাব পৰা যায়। বৃদ্ধ অৱস্থাত আৰ্থিক স্বাধীনতা প্ৰত্যেকৰ বাবে আৱশ্যক হয়। এনুইটি দুই প্ৰকাৰৰ হয় (পেঞ্চন প্লেন্চ)

- **তৎকালীন এনুইটি**
  তৎকালীন এনুইটিৰ বিষয়ত বীমা কোম্পানীৰ পৰা এনুইটি আদায় তুৰন্তে আৰম্ভ হয়। তৎকালীন এনুইটিৰ বাবে ক্ৰয় মূল্য (প্ৰিমিয়াম) মাত্ৰ এটা কিস্তিত একেবাৰতে আদায় দিয়া হয়।

- **ডিফাৰ্ড এনুইটি**
  ডিফাৰ্ড এনুইটি পলিচিৰ অধীনত ব্যক্তি ভেষ্টি ং বয়স / ভেষ্টি ং দিন পৰ্যন্ত বীমা কোম্পানীয়ে নিয়মিত যোগদান আদায় কৰে। তেওঁৰ ওচৰত একক প্ৰিমিয়ামৰ ৰূপত আদায় দিয়াৰ বিকল্পও আছে। পুঁজি সুতৰ সৈতে জমা হ'ব আৰু ভেষ্টি ং দিনত পুঁজি প্ৰাপ্ত ব্য হ'ব। বীমা কোম্পানী পুঁজিত বিনিয়োগৰ ধ্যান থাকিব আৰু পলিচিধাৰকৰ ওচৰত ভেষ্টি ং বয়স / ভেষ্টি ং দিনৰ ওপৰত এই কৰ্পাচ ফাণ্ড 1/3 নগদ ধনৰ বিকল্প থাকে যি কৰ মুক্ত। পুঁজিৰ বাকী 2/3 পৰিমাণৰ ব্যৱহাৰ এনিটেন্টৰ বাবে এনুইটি (পেঞ্চন) ক্ৰয় কৰাৰ ব্যৱহাৰত অনা হ'ব।

*ইউনিট লিঙ্কড ইঞ্চিওৰেন্স পলিচিসমূহ*

ইউনিট লিঙ্কড ইঞ্চিওৰেন্স পলিচিসমূহ (ইউলিপ) বিনিয়োগ তথা সুৰক্ষাৰ মিলন আৰু আপোনাক এইটো নমনীয় তথা বিকল্প দিয়ে যে আপোনাৰ প্ৰিমিয়ামৰ বিনিয়োগ কেনেকৈ কৰা হয়। ইউনিট লিঙ্কড প্লেনত, বিনিয়োগ ক্ষতিশংকা পোৰ্টফলিঅ'ৰ বহন আপোনাৰ



দ্বাৰা কৰা হয় কিয়নো আপুনি বিনিয়োগকাৰী হয়। বৈশিষ্ট্যৰূপে, পলিচিয়ে আপোনাক পুঁজিৰ বিকল্প দিব য'ত আপুনি বিনিয়োগ কৰিব পাৰে। পলিচিৰ জীৱনৰ সময়ত আপোনাৰ ওচৰত বিভিন্ন পুঁজিৰ ভিতৰত সলনি কৰাৰো নমনীয়তা থাকে। ইউলিপৰ মূল্য সেই ইউনিটৰ বিদ্যমান মূল্যৰ লগত সংলগ্ন হৈ থাকে যাক আপুনি পুঁজিত বিনিয়োগ কৰিছে, যি ফলক্ৰমে পুঁজিৰ কাৰ্য্য–সম্পাদনৰ ওপৰত নিৰ্ভৰ হয়। মৃত্যু বা অস্থায়ী বিকলাঙ্গৰ স্থিতিত পলিচি চাম এচিয়ৰদ (যাৰ সীমা পৰ্য্যন্ত আপুনি কভাৰ কৰিছে) প্ৰদান কৰিব, যাতে আপুনি শান্তি অনুভৱ কৰিব এইটো জানি যে আপোনাৰ পৰিয়াল হঠাতে আৰ্থিক হানিৰ পৰা সুৰক্ষিত। ইউলিপত ক্ষতিশংকা আৰু ৰিৱাৰ্ডচৰ সীমা ভিন্ন ভিন্ন হয়। ইউনিট লিঙ্কড পলিচি সমূহৰ বাবে বিভিন্ন মূল্য প্ৰযোজ্য হয়। প্ৰিমিয়ামৰ বাকী পৰিমাণ আপোনাৰ দ্বাৰা বাচি লোৱা পুঁজি / পুঁজিসমূহত বিনিয়োগ কৰা হয়। আপোনাৰ দ্বাৰা ব্যয় কৰা মুঠ মূল্যৰ পৰিমাণ বুজিবৰ বাবে আপোনাৰ বীমাকৰ্তা বা এজেন্ট বা ব্ৰোকাৰক প্ৰশ্ন সোধাটো গুৰুত্বপূৰ্ণ। আপোনাৰ ক্ষতিশংকা বহন কৰা ক্ষমতা আৰু বিনিয়োগ স্পৃহা তথা বিনিয়োগৰ সিদ্ধান্ত ইউলিপ পলিচি ক্ৰয় কৰাৰ সিদ্ধান্ত লোৱাৰ পূৰ্বে কৰাটো গুৰুত্বপূৰ্ণ। আপুনি পলিচিৰ গুণ বুজিবৰ বাবে পলিচিৰ নিয়ম আৰু চৰ্ত মনোযোগেৰে পঢ়া উচিত য'ত অন্তৰ্ভুক্ত হয় লক–ইন অৱধি, সমৰ্পণ মূল্য, সমৰ্পণ দৰ ইত্যাদি।

ওপৰত বৰ্ণনা কৰা প্লেন্চৰ সকলো প্ৰকাৰ ইউলিপ প্লেন্চৰ অধীনত দিব পৰা যায়।

## 3. জীৱন বীমাৰ ওপৰত সঘনাই সুধিবলগীয়া প্ৰশ্ন

### পৰম্পৰাগত জীৱন বীমা

**প্ৰ: পলিচি ক্ৰয় কৰাৰ নিৰ্ণয় লোৱাৰ পূৰ্বে মই কি চোৱা উচিত?**

উ: আপুনি এইটো নিশ্চয় পৰীক্ষা কৰা আৰু চোৱা উচিত যে প্ৰতিফলৰ গেৰাণ্টিৰ উপলব্ধতা আছে নে নাই, লক-ইন অৱধি কি, আদায় দিব লগীয়া প্ৰিমিয়ামৰ সবিশেষ, প্ৰিমিয়াম ত্ৰুটিৰ কি পৰিণাম হ'ব, ৰিভাইভেল অৱস্থাৰ কি চৰ্ত আছে, পলিচি অৱধি কি, হ্ৰাস কৰিব লগীয়া দৰ কি, কি ঋণ প্ৰাপ্ত ব্য হ'ব ইত্যাদি।

**প্ৰ: প্ৰস্তাৱত কৰা প্ৰকাশকৰণৰ কি গুৰুত্বপূৰ্ণ?**

উ: প্ৰস্তাৱত কৰা প্ৰকাশকৰণ পলিচি চুক্তিৰ আধাৰত আৰু সেয়ে যি কোনো ভুল বিবৃতি বা অপ্ৰকাশকৰণৰ কাৰণে দাবী নামাঞ্জুৰ কৰিব পৰা যায়।

**প্ৰ: জীৱন বীমাত কি বিশেষ চিকিৎসাৰ ৰিপ'ৰ্ট জমা কৰাৰ আৱশ্যক হয়?**

উ: বিশেষ প্ৰস্তাৱৰ ক্ষেত্ৰত প্ৰৱেশৰ বয়স, পৰিপক্কতা বয়স, নিশ্চিত পৰিমাণ, পৰিয়ালৰ ইতিবৃত্ত তথা ব্যক্তিগত ইতিবৃত্ত, বিশেষ চিকিৎসাৰ ৰিপ'ৰ্ট ক্ষতিশংকাৰ বিচাৰৰ বাবে আৱশ্যক হ'ব পাৰে। উদাহৰণ স্বৰূপে, যদি প্ৰস্তাৱকৰ ওজন অত্যাধিক হয়, তেন্তে ইলেক্ট্ৰো কাৰ্ডিয়োগ্ৰাম, গ্লুকোজ টলাৰেন্স টেষ্ট ইত্যাদিৰ বিশেষ ৰিপ'ৰ্টৰ আৱশ্যক হ'ব পাৰে, য'ত নেকি কম ওজন থকা প্ৰস্তাৱকৰ বাবে বুকুৰ আৰু হাওঁফাওঁৰ এক্স-ৰেৰ ৰিপ'ৰ্টৰ আৱশ্যক হয়।

**প্ৰ: পৰম্পৰাগত জীৱন বীমা পলিচিত পে'ড-আপ ভেল্যুৰ অৰ্থ কি?**

উ: কোনো নিশ্চিত অৱধিৰ বাবে বা তাৰ পিছত প্ৰিমিয়াম



আদায় দিয়াৰ আৰু যদি প্ৰিমিয়াম আদায় দিয়া নহয় তেতিয়া আশ্বাসৰ পৰিমাণ এক অনুপাতিক পৰিমাণলৈ হ্ৰাস কৰা হয়। যি পূৰ্ণ আশ্বাস পৰিমাণৰ সমান অনুপাত ৰাখে কিয়নো প্ৰকৃততে আদায় দিয়া প্ৰিমিয়ামৰ সংখ্যা পলিচিত মূলত: নিৰ্দিষ্ট মুঠ সংখ্যাৰ লগত সম্বন্ধীয় হয়। উদাহৰণৰ বাবে, যদি নিশ্চিত পৰিমাণ 1 লাখ হয় আৰু দেয় প্ৰিমিয়ামৰ মুঠ সংখ্যা 20 হয় (20 বছৰৰ পলিচি, প্ৰিমিয়ামৰ প্ৰকাৰ বাৰ্ষিক বুলি গ্ৰহণ কৰা হয়) আৰু 10 বাৰ্ষিক প্ৰিমিয়ামৰ পিছত ত্ৰুটি হয় তেতিয়া পলিচি 50,000 ৰ পে'ড আপ ভেল্যু লাভ কৰে। পে'ড আপ ভেল্যু থ আদায় দিয়া প্ৰিমিয়ামৰ সংখ্যা / দেয় প্ৰিমিয়ামৰ সংখ্যা থ নিশ্চিত পৰিমাণ থ 10 / 20 থ 1000000 থ 50000। অৰ্থাৎ পলিচি প্ৰথমৰ নিচিনাকৈ ফলদায়ক হয়, কেৱল 11 তম প্ৰিমিয়ামৰ তাৰিখত নিশ্চিত পৰিমাণ মূল 1,00,000 ৰ ঠাইত 50,000 হয়। এই নিশ্চিত পৰিমাণত পলিচি লেপ্চ হোৱাৰ পূৰ্বে প্ৰথমৰ পৰাই ভেষ্টেড (সংগৃহীত) ব'নাচো যোগ দিয়া হয়। উদাহৰণৰ বাবে যদি লেপ্চৰ তাৰিখ পৰ্যন্ত সংগৃহীত ব'নাচ হয় 35,000 তেতিয়া মুঠ পে'ড আপ মূল্য হয় 50,000 ঔ 35,000 থ 85,000।

**প্ৰ: পৰম্পৰাগত জীৱন বীমা পলিচিত সমৰ্পণ মূল্যৰ গণনা কেনেকৈ কৰা হয়?**

উ: এই পে'ড আপ মূল্যৰ শতাংশৰ ৰূপত সমৰ্পণ মূল্যৰ অনুমতি আছে। সমৰ্পণ মূল্য কাৰণ অনুসৰি সমৰ্পণ মূল্যৰ গণনা কৰা হয়, যি আদায় দিয়া প্ৰিমিয়াম আৰু অতিবাহিত অৱধিৰ ওপৰত নিৰ্ভৰ হয়।

**প্ৰ: পৰম্পৰাগত জীৱন বীমা পলিচিসমূহৰ অধীনত পলিচিৰ ওপৰত ঋণৰ গণনা কেনেকৈ কৰা হয়?**

উ: যদি পলিচিৰ চৰ্তই ঋণৰ অনুমতি দিয়ে তেতিয়া সমৰ্পণ মূল্যৰ শতাংশৰ ৰূপত ঋণ মঞ্জুৰ কৰা হয়।

**প্ৰ: পৰিপক্কতা দাবীৰ ক্ষেত্ৰত কি জমা কৰা আৱশ্যক হয়?**

উ: সচৰাচৰ, বীমা কোম্পানীয়ে দেয় দাবী পৰিমাণ অৱগত কৰি পলিচিৰ পৰিপক্কতাৰ তাৰিখৰ পৰা কমেও 2 ৰ পৰা 3 মাহ পূৰ্বে পলিচিধাৰকক ডিছাৰ্জ ভাওচাৰ সহিতে সংবাদ পঠিয়াব। চহী তথা সাক্ষ্যবদ্ধ পলিচি বণ্ড আৰু ডিছাৰ্জ ভাওচাৰ তুৰন্তে বীমা কোম্পানীক ঘূৰাই দিয়া উচিত যাতে বীমা কোম্পানী আদায় দিয়াত সমৰ্থ থাকে। যদি পলিচি কোনো অন্য ব্যক্তিৰ নামত কৰা হৈছে তেতিয়া দাবীৰ পৰিমাণ কেৱল স্বত্বনিয়োগীক আদায় দিয়া হয় যি ডিছাৰ্জ দিব।

**প্ৰ: বন্দোৱস্ত বিকল্পৰ অৰ্থ কি?**

উ: বন্দোৱস্ত বিকল্প মানে এক সংজ্ঞামূলক আচৰণৰে পৰিপক্কতা পৰিমাণ পাবৰ বাবে পলিচিধাৰকৰ হেতুকে প্ৰাপ্ত ব্য কৰোৱা সুবিধা (চুক্তিৰ আৰম্ভনিত নিয়ম আৰু চৰ্ত প্ৰথমৰ পৰা বৰ্ণনা কৰা হয়)

**প্ৰ: পলিচি চলি থকা অৱস্থাত বীমাকৃত ব্যক্তিৰ মৃত্যুৰ ক্ষেত্ৰত সাধাৰণতে কোনবোৰ নথিপত্ৰ জমা কৰা হয়?**

উ: সাধাৰণতে আৱশ্যকীয় মৌলিক নথিপত্ৰ হয় মৃত্যু প্ৰমাণ পত্ৰ, দাবী প্ৰপত্ৰ আৰু পলিচি বণ্ড, অন্য নথিপত্ৰ যেনে মেডিকেল এটেনডেন্টৰ প্ৰমাণপত্ৰ, চিকিৎসালয়ৰ প্ৰমাণপত্ৰ, কৰ্মচাৰীৰ প্ৰমাণপত্ৰ, আৰক্ষীৰ প্ৰাথমিক অনুসন্ধান ৰিপ'ৰ্ট, প'ষ্ট মৰ্টেম ৰিপ'ৰ্ট, ইত্যাদি যথা প্ৰয়োজন বিচাৰিব পাৰে। দাবীৰ আৱশ্যকতাসমূহ সচৰাচৰ পলিচি বণ্ডত প্ৰকাশ কৰা হয়।

## ইউনিট লিঙ্কড ইঞ্চিওৰেন্স পলিচি (ইউলিপ্চ)

**প্ৰ: ইউনিট লিঙ্কড পলিচিসমূহত সমৰ্পণ মূল্যৰ গণনা কেনেকৈ কৰা হয়?**



উ: সমৰ্পণ দৰ হ্ৰাস কৰি সচৰাচৰ সমৰ্পণ মূল্য পুঁজি মূল্য হিচাপে প্ৰকাশ কৰা হয়।

**প্ৰ: সমৰ্পণ, পৰিপক্কতা দাবী, সলনি (চুইচ্চ) ইত্যাদিৰ বাবে এনএভি প্ৰযোজ্য হোৱাৰ কি পদ্ধতি আছে?**

উ: সন্ধিয়া 3.00 পৰ্যন্ত বীমাকৰ্তাৰ দ্বাৰা প্ৰাপ্ত বৈধ আবেদনৰ সন্দৰ্ভত (উদাহৰণ স্বৰূপে সমৰ্পণ, পৰিপক্কতা দাবী, সলনি ইত্যাদি), সেই দিনৰ এনএভি প্ৰযোজ্য হয়।

বীমাকৰ্তাৰ দ্বাৰা সন্ধিয়া 3.00 ৰ পিছত প্ৰাপ্ত বৈধ আবেদনৰ সন্দৰ্ভত (উদাহৰণ স্বৰূপে সমৰ্পণ, পৰিপক্কতা দাবী, সলনি ইত্যাদি), পৰৱৰ্তী ব্যৱসায় দিৱসৰ ক্লোজিং এনএভি প্ৰযোজ্য হয়।

**প্ৰ: ইউনিট ফাণ্ড কি?**

উ: সকলো দৰৰ হ্ৰাসকৰণৰ পিছত প্ৰিমিয়ামৰ বন্টন (বিনিয়োগ) ভাগ আৰু / বা পলিচিধাৰকৰ দ্বাৰা বাচি লোৱা কোনো বিশেষ পুঁজিত সকলো পলিচিৰ অধীন ক্ষতিশংকা কভাৰৰ বাবে প্ৰিমিয়াম একত্ৰিত কৰি এক ইউনিট পুঁজি বনোৱা হয়।

**প্ৰ: ইউনিট কি?**

উ: এইটো ইউনিট লিঙ্কড পলিচিত ফাণ্ডৰ এক উপাদান।

**প্ৰ: ইউলিপে কি প্ৰকাৰৰ ফাণ্ড প্ৰদান কৰে ?**

উ: অধিকাংশ বীমাকৃত ব্যক্তিৰ বিনিয়োগ উদ্দেশ্য, ক্ষতিশংকা প্ৰফাইল আৰু সময় অৱধিৰ অনুৰূপ পুঁজিৰ ব্যাপক শ্ৰেণী (ৰেঞ্জ) প্ৰদান কৰে। বিভিন্ন পুঁজিৰ ভিন্ন ভিন্ন ক্ষতিশংকা প্ৰফাইল আছে। বিভিন্ন পুঁজিৰ ৰিটাৰ্ণৰ (প্ৰতিফলৰ) নিহিত সম্ভাৱনা ভিন্ন ভিন্ন হয়।

**প্ৰ: ইউলিপত বিনিয়োগ ৰিটাৰ্ণৰ গেৰান্টি থাকে নেকি?**

**উ:** ইউলিপত বিনিয়োগৰ পৰা ৰিটাৰ্ণৰ গেৰাণ্টি নহ'ব পাৰে। ইউনিট লিংকড উৎপাদন / পলিচিসমূহ বিনিয়োগ পোৰ্টফলিঅ'ত বিনিয়োগৰ ক্ষতিশংকা পলিচিধাৰকৰ দ্বাৰা বহন কৰা হয়। বাচি লোৱা ইউনিট লিংকড ফাণ্ড প্ৰদৰ্শনৰ আধাৰত পলিচিধাৰকে তেওঁৰ বিনিয়োগত লাভ বা হানি পাব পাৰে। এইটো মন দিয়া উচিত যে এটা পুঁজিৰ অতীত ৰিটাৰ্ণচে পুঁজিৰ ভৱিষ্যত কাৰ্য্য সম্পাদনৰ আৱশ্যকীয় সূচক নহয়।

**প্ৰ: ইউলিপত দৰ, মাচুল আৰু হ্ৰাস কি?**

**উ:** বিভিন্ন বীমাকৰ্তাৰ দ্বাৰা প্ৰস্তুত ইউলিপৰ দৰ গঠন ভিন্ন হয়। বিস্তৃতভাৱে, ভিন্ন প্ৰকাৰৰ মাচুল আৰু দৰ তলত দিয়া হৈছে। যি কি নহওঁক, এইটো মন দিয়া উচিত যে বীমাকৰ্তাক সময় অতিবাহিত হোৱাৰ ওপৰত মাচুল আৰু দৰ সংশোধিত কৰাৰ অধিকাৰ আছে।

| তলত কিছুমান সাধাৰণ প্ৰকাৰৰ পুঁজি দিয়া হৈছে যি সেইবোৰৰ ক্ষতিশংকা লক্ষণৰ সংকেতৰ সৈতে প্ৰাপ্ত ব্য। **সাধাৰণ বৰ্ণনা** | **বিনিয়োগ স্বৰূপ** | **ক্ষতিশংকাৰ** |
|---|---|---|
| **ইকুইটি ফাণ্ডচ** | মূলধন গুণৰ সাধাৰণ লক্ষ্যৰ সৈতে কোম্পানী ষ্টকচত প্ৰাথমিকতাৰে বিনিয়োগ | মধ্যমীয়াৰ পৰা উচ্চলৈ |
| **আয়, নিৰ্ধাৰিত সুত আৰু বণ্ড ফাণ্ডচ** | কৰ্পোৰেট বণ্ডচ, চৰকাৰী প্ৰতিভূতি আৰু অন্য নিৰ্ধাৰিত আয়ৰ মাধ্যম | মধ্যমীয়া |
| **নগদ ফাণ্ডচ** | কেতিয়াবা কেতিয়াবা মানি মাৰ্কেট ফাণ্ডচৰ ৰূপত জনা যায় নগদ ধন, বেঙ্ক ডিপ'জিটচ আৰু মানি মাৰ্কেট ইনষ্ট্ৰুমেন্টত বিনিয়োগ | নিম্ন |
| **বেলেঞ্চড ফাণ্ডচ** | ইকুইটি বিনিয়োগৰ সৈতে নিৰ্ধাৰিত সুত মাধ্যমৰ সমুচ্চয় | মধ্যমীয়া |



### প্ৰিমিয়াম বন্টন দৰ

পলিচিৰ অধীনত ইউনিটে বন্টন কৰাৰ পূৰ্বে দৰৰ প্ৰতি প্ৰযুক্ত প্ৰিমিয়ামৰ এইটো শতাংশ। এই দৰ স্বাভাৱিকতে কমিছন ব্যয়ৰ বাহিৰে প্ৰাৰম্ভিক তথা নবীকৰণ ব্যয় অন্তৰ্ভুক্ত কৰা হয়।

### মৃত্যু হাৰ দৰ

এই দৰ আঁচনিৰ অধীনত বীমা কভাৰেজৰ ব্যয়ৰ হেতুকে লোৱা হয়। মৃত্যুৰ হাৰ দৰ বহুতো কাৰণৰ ওপৰত নিৰ্ভৰ কৰে যেনে বয়স, কভাৰেজৰ পৰিমাণ, স্বাস্থ্যৰ দশা ইত্যাদি।

### পুঁজি পৰিচালন মাচুল

এই মাচুল পুঁজিৰ পৰিচালনৰ হেতুকে লোৱা হয় আৰু নেট এচেট ভেল্যু (এনএভি) ৰ গণনাৰ পূৰ্বে তাক হ্ৰাস কৰা হয়।

### পলিচি / প্ৰশাসন দৰ

আঁচনিৰ প্ৰশাসনৰ হেতুকে এই দৰ লোৱা হয় আৰু ইউনিট বাতিল কৰি

সংগ্ৰহ কৰা হয়। এইটো সম্পূৰ্ণ পলিচি অৱধিত সমান হ'ব পাৰে বা পূৰ্ব নিৰ্ধাৰিত দৰৰ ওপৰত সলনি হ'ব পাৰে।

### সমৰ্পণ দৰ

পলিচিৰ চৰ্তত বৰ্ণনা অনুসৰি য'তেই প্ৰযোজ্য হয় ইউনিটৰ অকালতে আংশিক বা সম্পূৰ্ণ ধনভাঙনৰ বাবে সমৰ্পণ দৰ হ্ৰাস কৰিব পৰা যায়।

### ফাণ্ড চুইচ্চিং দৰ

সাধাৰণতে প্ৰত্যেক বৰ্ষ এক সীমিত সংখ্যাত পুঁজি স্থানান্তৰৰ দৰৰ অবিহনে হয়, তাৰ পিছৰ স্থানান্তৰ দৰৰ অধীন হয়।

### সেৱা কৰ হ্ৰাস

ইউনিটৰ বন্টনৰ পৰা পূৰ্ব প্ৰযোজ্য সেৱা কৰ প্ৰিমিয়ামৰ ক্ষতিশংকা থকা ভাগৰ পৰা হ্ৰাস কৰা হয়।

বিনিয়োগকাৰীয়ে মন দিয়া উচিত যে সকলো দৰ হ্ৰাস কৰাৰ পিছত প্ৰিমিয়ামৰ অংশ আৰু ক্ষতিশংকা কভাৰৰ বাবে প্ৰিমিয়ামৰ প্ৰয়োগ ইউনিটে ক্ৰয় কৰিবৰ বাবে কৰা যায়।

**প্ৰ: প্ৰস্তাৱৰ ওপৰত চহী কৰাৰ পূৰ্বে কি সত্যাপন কৰা উচিত?**

উ: এই বিলাকৰ বাবে প্ৰমাণিত বিক্ৰী সৰুপুস্তিকা খনৰ সত্যাপন কৰা উচিত

- পলিচিৰ অধীনত হ্ৰাস যোগ্য সকলো দৰ
- অকাল সমৰ্পণৰ ওপৰত আদায়
- বৈশিষ্ট্য আৰু লাভসমূহ
- সীমা আৰু বৰ্জন
- নিৰস্তীকৰণ আৰু ইয়াৰ পৰিণাম
- অন্য প্ৰকাশকৰণ
- জীৱন বীমা কাউন্সিলৰ দ্বাৰা নিৰ্দেশিত 6% আৰু 10% প্ৰতিফলৰ দুটা দৃশ্যপটত দেয় লাভ দৰ্শোৱা উদাহৰণ।

**প্ৰ: ইউনিট ক্ৰয় কৰিবৰ বাবে কিমান প্ৰিমিয়াম প্ৰয়োগ কৰা হয়?**

উ: আদায় প্ৰিমিয়ামৰ সম্পূৰ্ণ পৰিমাণৰ ইউনিটৰ বাবে বন্টন কৰা নহয়। বীমাকৰ্তাই বিভিন্ন দৰ, মাচুল আৰু হ্ৰাসৰ বাবে ধন দিয়াৰ পিছত বাকী প্ৰিমিয়ামৰ অংশৰ ওপৰত ইউনিট বন্টন কৰা হয়। যি কি নহওঁক, ইউনিট ক্ৰয় কৰাৰ বাবে প্ৰযুক্ত প্ৰিমিয়ামৰ মাত্ৰা বিভিন্ন উৎপাদনৰ বাবে ভিন্ন হয়।

বন্টন ইউনিটৰ মুঠ আৰ্থিক মূল্য আদায় দিয়া প্ৰিমিয়ামৰ পৰিমাণতকৈ কম হয় কাৰণ একত্ৰিত প্ৰিমিয়ামতকৈ প্ৰথম দৰ হ্ৰাস কৰা হয় আৰু বাকী পৰিমাণৰ প্ৰয়োগ ইউনিট বন্টন কৰাৰ বাবে হয়।





**প্ৰ: যদি পলিচি ক্ৰয় কৰাৰ পিছত কোনো সেইটোত সন্তুষ্ট নহয় তেতিয়া প্ৰিমিয়াম ঘূৰাই খুজিব পৰা যায় নেকি?**

উ: পলিচিধাৰকে যদি পলিচিৰ নিয়ম আৰু চৰ্তৰ সৈতে সহমত নহয় তেতিয়া তেওঁ পলিচি নথিপত্ৰ প্ৰাপ্তিৰ 15 দিনৰ ভিতৰত (ফ্ৰি লুক অৱধি) প্ৰিমিয়াম ঘূৰাই খুজিব পাৰে। পলিচিধাৰকক ইউনিট বাতিল কৰাৰ জড়িয়তে তেওঁৰ কভাৰৰ অৱধিত চিকিৎসীয় পৰীক্ষাসমূহ, টিকট শুল্ক আৰু সমানুপাতিক ক্ষতিশংকা প্ৰিমিয়ামত কৰা ব্যয় হ্ৰাসকৰণৰ অধীনত প্ৰযোজ্য মূল্যকে সাঙুৰি পুঁজি মূল্য ঘূৰোৱা হ'ব।

**প্ৰ: নেট এচেট ভেল্যু (এনএভি) কি?**

উ: এনএভি এটা দিয়া দিনত পুঁজিৰ প্ৰত্যেক ইউনিটৰ মূল্য। প্ৰত্যেক পুঁজিৰ এনএভি সম্বন্ধীয় বীমাকৰ্তাৰ ৱেবচাইটত প্ৰদৰ্শন কৰা হয়।

**প্ৰ: পলিচিৰ ম্যাদৰ সময়ত দেখা দিব পৰা ক্ষতিশংকাৰ ক্ষেত্ৰত দেয় লাভ কি হয়?**

উ: পলিচি চৰ্ত অনুসৰি ম্যাদৰ সময়ত বীমাকৃত ব্যক্তিৰ ক্ষতিশংকা হোৱাৰ স্থিতিত হিতাধিকাৰীক সাধাৰণতে চাম এচিয়ৰদ আৰু/বা পুঁজি ইউনিটৰ মূল্য দিয়া হয়।

**প্ৰ: পলিচিৰ পৰিপক্কতাৰ ওপৰত দিয়া লাভ কি?**

উ: পলিচিৰ পৰিক্কতাৰ ওপৰত পুঁজি ইউনিটৰ মূল্য ব'নাচ যদি হয়, সৈতে দিয়া হয়

**প্ৰ: নিয়মিত প্ৰিমিয়ামৰ বাহিৰে অতিৰিক্ত যোগদানৰ বিনিয়োগ কৰা সম্ভৱ নে?**

উ: হয়। উৎপাদনত প্ৰাপ্ত ব্য বৈশিষ্ট্যৰ অধীন ব্যক্তিয়ে নিজৰ পছন্দ অনুসৰি নিয়মিত প্ৰিমিয়ামৰ বাহিৰে অতিৰিক্ত যোগদানৰ বিনিয়োগ কৰিব পাৰি। এই সুবিধা ''টপ

আপ'' সুবিধা বুলি কোৱা হয়।

**প্ৰ: ইউলিপ পলিচি লোৱাৰ পিছত বিনিয়োগ পুঁজি সলনি কৰিব পাৰি নেকি?**

**উ:** হয়। ''চুইচ্চ'' (সলনি) বিকল্প কোনো পলিচিত বিনিয়োগ এটাৰ পৰা অন্য এটা পুঁজিত সলনি কৰাৰ সুবিধা দিয়ে, যদিহে উৎপাদনত এই বৈশিষ্ট্য প্ৰাপ্ত ব্য হয়। যেতিয়া সলনিৰ এক নিশ্চিত সংখ্যা দৰৰ অবিহনে প্ৰযুক্ত কৰা হয় কিন্তু সেই বিশেষ সংখ্যাৰ পিছত কৰা সলনিৰ বাবে দৰ লোৱা হয়।

প্ৰ: আংশিক ধনভঙন/উইদ্ৰৱেল কৰিব পৰা যায় নেকি?

উ: হয়। উৎপাদনত ''আংশিক উইদ্ৰৱেল'' ৰ বিকল্প হ'ব পাৰে যি পলিচিত বিনিয়োগৰ এক অংশ উলিওৱাৰ সুবিধা দিয়ে। ইউনিটৰ এভাগ বাতিল কৰি এনে কৰা হয়।

**প্ৰ: যদি প্ৰিমিয়াম মাজতে বন্ধ কৰি দিয়া হয় তেতিয়া কি হয়?**

**উ:** **এ) আৰম্ভণিৰ তিনি বছৰৰ ভিতৰত বিৰাম** - যদি আৰম্ভনিৰ পৰা কমেও একেৰাহে তিনি বছৰলৈ সকলো প্ৰিমিয়াম আদায় দিয়া নহয় তেতিয়া বীমা কভাৰ তুৰন্তে সমাপ্ত হ'ব। বীমাকৰ্তাৰ অনুমতি অৱধিৰ ভিতৰত নবীকৰণৰ বাবে সুযোগ দিব পাৰে, যদি অৱধিৰ ভিতৰত পলিচি ৰিভাইভ কৰা নহয় তেতিয়া তৃতীয় পলিচি বাৰ্ষিকীৰ অন্তত বা নবীকৰণৰ বাবে অনুমতি অৱধিৰ অন্তত, যিটোৱেই পিছত হয় সমৰ্পণ মূল্য আদায় দিয়া হ'ব।

**বি) আৰম্ভণিৰ তিনি বছৰৰ ভিতৰত বিৰাম** - নবীকৰণৰ বাবে অনুমতি অৱধিৰ অন্তত সমৰ্পণ মূল্য আদায় কৰি চুক্তি সমাপ্ত কৰা হ'ব। যদি পলিচিধাৰকৰ দ্বাৰা বাচি লোৱা হৈছে তেতিয়া বীমাকৰ্তাই কভাৰ জাৰি ৰখাৰ সুবিধা দিব পাৰে আৰু যেতিয়ালৈকে পুঁজি মূল্য এটা সম্পূৰ্ণ বছৰৰ প্ৰিমিয়ামতকৈ কম নহয় তেতিয়ালৈকে উপযুক্ত দৰ



লগায়। যেতিয়া পুঁজি মূল্য এক সম্পূৰ্ণ বৰ্ষৰ প্ৰিমিয়ামৰ সমানলৈকে হয় তেতিয়া পুঁজি মূল্য আদায় দি চুক্তি সমাপ্ত কৰি দিয়া হ'ব।

চি) 5 বছৰৰ লক-ইন পিৰিয়দৰ সৈতে পলিচিসমূহ : 01-02-2010 ত বা ইয়াৰ পিছত ক্ৰয় কৰা পলিচি সমূহৰ বাবে লক-ইন-পিৰিয়দ 5 বছৰলৈ বৃদ্ধি কৰা হৈছে। প্ৰিমিয়াম আদায় দিয়া বন্ধ কৰিলে, পলিচি ধাৰকৰ i) পলিচি পুনৰ সজীৱ কৰা বা ii) কোনো ক্ষতিশংকা কভাৰ নোহোৱাকৈ সম্পূৰ্ণ উইদ্ৰৱেলৰ বিকল্প পলিচি ধাৰকৰ থাকে।

অনুগৃহীত (গ্ৰে'চ) অৱধিৰ অন্তিম তাৰিখৰ পৰা 15 দিনৰ ভিতৰত বীমাকৰ্তাই উপৰুক্ত বিকল্পসমূহ দি এখন জাননী পঠিয়াব। এই জাননীৰ 30 দিনৰ ভিতৰত যদি কোনো বিকল্প কাৰ্যকৰী কৰা নহয় বা বিকল্প (ii) কাৰ্য্যকৰী কৰা হয়, তেন্তে বন্ধ কৰা পলিচিৰ আদায় সমূহ ঘূৰাই দিয়া হ'ব কিন্তু লক-ইন-পিৰিয়দ সম্পূৰ্ণ হোৱাৰ পূৰ্বে নহয়। এনেদৰে লক-ইন-পিৰিয়দৰ ভিতৰত যদি বন্ধ কৰা হয়, পলিচি ধাৰকৰ বন্ধ কৰা তাৰিখৰ পৰা দুই বছৰৰ অৱধিৰ ভিতৰত পলিচি পুনৰ প্ৰচলিত কৰাৰ অধিকাৰ থাকে কিন্তু লক-ইন-পিৰিয়দৰ অন্তিম তাৰিখৰ পিছত নহয়।

**প্ৰ: বীমাকৰ্তাৰ দ্বাৰা পলিচি ধাৰকক বিনিয়োগৰ ঠিকণা বিষয়ে কি জাননী দিয়া হয়?**

**উ:** বীমাকৰ্তাই আৰ্থিক দৃশ্যপট সম্বন্ধীয় পূৰ্বৰ বিত্ত বৰ্ষৰ সময়ত পুঁজিৰ প্ৰদৰ্শন, বজাৰৰ গতি-বিধি বাধিত কৰা বাৰ্ষিক প্ৰতিবেদন পঠিয়ায় য'ত পুঁজিৰ কাৰ্য্য-সম্পাদন বিশ্লেষণ, পুঁজিৰ বিনিয়োগ পোৰ্টফলিঅ', বিনিয়োগ কৌশল আৰু মানি লোৱা ক্ষতিশংকা নিয়ন্ত্ৰণৰ উপায়ো সমাবেশ হোৱা উচিত।

## আইআৰডিএ ৰ দ্বাৰা নিৰ্ধাৰিত পলিচিধাৰক চাৰ্ভিচিং টাৰ্নএৰাউণ্ড টাইম্চ

| সেৱা | সৰ্বোচ্চ টাৰ্নএৰাউণ্ড টাইম |
|---|---|
| **সাধাৰণ** | |
| প্ৰস্তাৱৰ প্ৰক্ৰিয়া আৰু সিদ্ধান্তৰ জাননী দিয়া য'ত অন্তৰ্ভুক্ত হয় আৱশ্যকতাসমূহ / পলিচি প্ৰচাৰ / বাতিলকৰণ | 15 দিন |
| প্ৰস্তাৱৰ প্ৰতিলিপি প্ৰাপ্ত হোৱা | 30 দিন |
| পলিচি প্ৰচাৰিত কৰাৰ পিছত সেৱাৰ নিবেদন যি ত্ৰুটিসমূহ / প্ৰস্তাৱ ডিপ'জিটৰ ঘূৰোৱা আৰু অনা-দাবী সম্বন্ধীয় সেৱা নিবেদনৰ লগত সম্পৰ্ক আছে | 10 দিন |
| **জীৱন বীমা** | |
| সমৰ্পণ মূল্য / বছৰেকীয়া বানচ / পেঞ্চন প্ৰক্ৰিয়া | 10 দিন |
| পৰিপক্কতা দাবী / জীৱিতত লাভ / দণ্ড স্বৰূপ সুতত আদায় নিদিয়া | 15 দিন |
| দাবী দাখিল কৰাৰ পিছত দাবীৰ আৱশ্যকতাসমূহ জনোৱা | 15 দিন |
| পৰীক্ষাৰ আৱশ্যকতাৰ অবিহনে মৃত্যু দাবী মীমাংসা কৰা | 30 দিন |
| পৰীক্ষাৰ আৱশ্যকতাৰ সৈতে মৃত্যু দাবীৰ মীমাংসা / প্ৰত্যাখ্যান | 6 মাহ |
| **সাধাৰণ বীমা** | |
| নিৰীক্ষণৰ প্ৰতিবেদন জমা কৰা | 30 দিন |
| বীমাকৰ্তাৰ দ্বাৰা উপৰুৱা ভাগৰ প্ৰতিবেদন খোজা | 15 দিন |
| প্ৰথম / উপৰুৱা ভাগৰ নিৰীক্ষণ প্ৰতিবেদন পোৱাৰ পিছত দাবীৰ মীমাংসা / নাকচ | 30 দিন |
| **অভিযোগ** | |
| অভিযোগ পঞ্জীয়ন কৰা | 3 দিন |
| অভিযোগৰ মীমাংসা | 15 দিন |





## 5. যদি আপোনাৰ কোনো অভিযোগ আছে :

বীমা নিয়ামক আৰু বিকাশ প্ৰাধিকাৰী (আইআৰডিএ) ৰ উপভোক্তা বিষয় বিভাগে ইন্টিগ্ৰেটেড গ্ৰীভেঞ্চ মেনেজমেন্ট চিষ্টেম (আইজিএমএচ) আৰম্ভ কৰিছে যি অভিযোগৰ পঞ্জীয়ন তথা নিৰীক্ষণৰ বাবে এক অনলাইন পদ্ধতি। আপুনি সৰ্বপ্ৰথমে আপোনাৰ বীমা কোম্পানীত অভিযোগ পঞ্জীয়ন কৰা উচিত আৰু যদি আপুনি কোম্পানীৰ দ্বাৰা ইয়াৰ মীমাংসাত সন্তুষ্ট নহয় তেতিয়া আপুনি www.igms.irda.gov.in ত গৈ আইজিএমএচ ৰ জড়িয়তে ইয়াক আইআৰডিএ ৰ ওচৰত পঠিয়াব পাৰে। যদি আপুনি বীমাকৰ্তাৰ অভিযোগ প্ৰক্ৰিয়ালৈকে পোনপটিয়াকৈ যাব নোৱাৰে তেন্তে আইজিএমএচ বীমাকৰ্তাৰ ওচৰত আপোনাৰ অভিযোগ পঞ্জীয়ন কৰাবলৈ আপোনাক এটা পথ প্ৰদান কৰা হয়।

আইজিএমএচ (উদাহৰণ স্বৰূপে ৱেব) ৰ জড়িয়তে আপোনাৰ অভিযোগ পঞ্জীয়ন কৰাৰ উপৰিও আপোনাৰ ওচৰত অভিযোগ পঞ্জীকৰণৰ বাবে বহুতো মাধ্যম (চেনেল্চ) আছে। ইমেইল (complaints@irda.gov.in ) ৰ জড়িয়তে, পত্ৰ (আপোনাৰ পত্ৰ গ্ৰাহক বিষয় বিভাগ, বীমা নিয়ামক আৰু বিকাশ প্ৰাধিকাৰী, 3য় মহলা, পৰিশ্ৰম ভৱন, বশীৰ বাগ, হায়দৰাবাদ বুলি সম্বোধন কৰক) ৰ জড়িয়তে বা আইআৰডিএ কল চেন্টাৰক **ট'ল ফ্ৰি নং 155255** ত ফোন কৰক যাৰ জড়িয়তে আইআৰডিএ বীমা কোম্পানীসমূহৰ বিপক্ষে আপোনাৰ অভিযোগ বিনামূল্যে দাখিল কৰিব আৰু লগতে তাৰ স্থিতিৰ ওপৰত দৃষ্টি ৰখাত সহায় কৰিব। ফোনৰ আধাৰত অভিযোগ

প্ৰপএ পূৰাই কল চেন্টাৰে আপোনাক সহায় কৰে তথা য'তেই আৱশ্যক হয় এইটো পোনেপোনে বীমা কোম্পানীৰ ওচৰত অভিযোগ দাখিল কৰাত সহায়ক হয়। বীমা কোম্পানীৰ ঠিকণা, ফোন নম্বৰ, ৱেবচাইট বিৱৰণ, যোগাযোগ নম্বৰ, ইমেইল আইডি ইত্যাদিৰ সৈতে সমন্ধীয় জাননী আপোনাক দিয়া হয়। আইআৰডিএ কল চেন্টাৰ সম্ভাৱ্য গ্ৰাহক আৰু পলিচিধাৰকৰ বাবে ব্যাপক টেলি-কাৰ্য্যক্ষমতাৰ সৈতে এক প্ৰকৃত বৈকল্পিক মাধ্যম (চ্চেনেল) প্ৰদান কৰা হয় আৰু সোমবাৰৰ পৰা শনিবাৰ, পুৱা 8 টাৰ পৰা নিশা 8 টালৈ 12 ঘন্টা x 6 দিনলৈকে হিন্দী, ইংৰাজী আৰু বিভিন্ন ভাৰতীয় ভাষাত কাৰ্য্যকৰী হৈ থাকে। যেতিয়া আইআৰডিএ ৰ ওচৰত কোনো অভিযোগ পঞ্জীয়ন কৰা হয় তেতিয়া ই সেই বীমা কোম্পানীত সুচল কৰি সমাধান কৰায়। কোম্পানীক অভিযোগৰ মীমাংসা কৰাৰ বাবে 15 দিন দিয়া হয়। যদি আৱশ্যক হয়, আইআৰডিএ পৰীক্ষা অনুসন্ধান আৰু সোধপোছ কৰে। ইয়াৰ বাহিৰে য'ত প্ৰযোজ্য হয়, আইআৰডিএ ৰিড্ৰেছেল অৱ পাব্লিক গ্ৰীভেঞ্চ ৰুল্চ, 1998 ৰ চৰ্ত অনুসৰি ইঞ্চিওৰেন্স অম্বাড্চমেনক সম্পৰ্ক কৰাৰ পৰামৰ্শ অভিযোগকাৰীক দিয়া হয়।



**দাবী পৰিত্যাগ :**

এই হাতপুথি কেৱল আপোনাক সাধাৰণ জাননী প্ৰদান কৰাৰ বাবে আৰু সম্পূৰ্ণ নহয়। ই এক শিক্ষা উপক্ৰম তথা আপোনাক কোনো আইনগত পৰামৰ্শ নিদিয়ে।

**বীমা হৈছে নিবেদনৰ বিষয়বস্তু।**